**GOVERNMENT OF ASSAM**
**TRANSPORT DEPARTMENT**
**BLOCK-D, 4$^{TH}$ FLOOR, JANATA BHAWAN**
**DISPUR:::GUWAHATI-06**

Website: https://transport.assam.gov.in Email ID: transport-department@assam.gov.in

No.TMV/E-816738/7 Date:22-07-2026

From : The Joint Secretary to the Govt. of Assam,
Transport Department, Dispur-06.

To : The Secretary
Assam Legislative Assembly, Dispur

Sub : Submission of reply to the Unstarred Assembly Question No 503 to be asked by Hon'ble MLA Shri Chakradhar Gogoi- regd.

Sir,

With reference to the subject cited above, I am directed to enclose herewith 150 nos. of cyclostyled numbers of Reply to the Unstarred Assembly Question No 503 to be asked by Hon'ble MLA ,Shri Chakradhar Gogoi

The aforesaid Reply has been uploaded in the website http://cms.neva.gov.in

Enclo. : As stated above.

Yours faithfully,

Digitally signed by
RUPASREE BHATTACHARJEE
Date: 22-07-2026 15:55:53
Joint Secretary to the Govt. of Assam
Transport Department

Memo No.TMV/E-816738/7–A Date:22-07-2026
Copy for information to:

1. P.S. to the Hon'ble Minister, Transport Department, Assam for kind information.
2. P.S. to the Commissioner & Secretary to Govt. of Assam, Transport Department for kind information.

By order etc.,

**(e-signed)**
Joint Secretary to the Govt. of Assam
Transport Department

অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং - ৫০৩

উত্তৰ দিয়াৰ তাৰিখ : – ২৪-০৭-২০২৬

*বিষয় ঃ* **পৰিবহন নিগমৰ বৰ্তমান নিজা বাছ সন্দৰ্ভত।** বিধায়ক ঃ শ্ৰীচক্ৰধৰ গগৈ ঃ

## প্ৰশ্ন

মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসম চৰকাৰৰ পৰিবহন নিগমৰ নিজা বাছ কিমানখন আছে ? তথ্য দিব।
(খ) যদি আছে কোন কোন জিলাত কিমানখনকৈ বাছ চলি আছে ? এই গাড়ীসমূহে নিগমটোক কিবা লাভালাভ দি আছেনে ? যদি দি আছে, ২০২১-২০২৬, এই পাঁচোটা বৰ্ষৰ লাভৰ পৰিমাণ কিমান ? জনাব।
(গ) এই বিভাগটোত বৰ্তমান কৰ্মচাৰীৰ সংখ্যা কিমান ? আগন্তুক দিনত এই বিভাগত আৰু নতুন কৰ্মচাৰী নিয়োগৰ কিবা পৰিকল্পনা আছে নেকি ? যদি আছে কি কি পদবীত নিয়োগ হ'ব ? জনাব।
(ঘ) পৰিবহন নিগমৰ বাছসমূহৰ পূৰ্বৰ ৰং সলনি কৰা হ'ল নেকি ? লগতে গঁড়ৰ চাপটো বৰ্তমান ৰাজপথত ASTC বুলি লিখা, বিভিন্ন ৰঙৰ বিলাসী বাছবোৰৰ গৰাকী কোন ? যদি চৰকাৰৰ নহয়, তেন্তে তাত ASTC বুলি লিখাৰ কাৰণ কি ? জনাব।

## উত্তৰ

**মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয় শ্ৰীযুত চৰন বড়োদেৱে উত্তৰ দিব ঃ**

(ক) বৰ্তমান অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনত নিজা পৰিচালিত মুঠ ৭৬০ খন বাছ উপলব্ধ আছে।

(খ) অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ পৰিচালনা তথা অন্যান্য কাৰ্যাৱলী ১০টা সংমণ্ডলৰ মাজত বিভক্ত কৰি পৰিচালনা কৰা হয়। উক্ত সংমণ্ডলসমূহে অসমৰ সকলো জিলাক সামৰি নিজ নিজ কাৰ্যক্ষেত্ৰত দায়িত্ব পালন কৰি আছে। সংমণ্ডলভিত্তিক বাছৰ সংখ্যা তলত উল্লেখ কৰা হ'লঃ

| ক্ৰমিক নং | সংমণ্ডলৰ নাম | বাছৰ সংখ্যা |
|---|---|---|
| ১ | বঙাইগাঁও সংমণ্ডল | ২৬ |
| ২ | বৃহত্তৰ গুৱাহাটী নগৰ সেৱা সংমণ্ডল | ৩৪৫ |
| ৩ | গুৱাহাটী সংমণ্ডল | ১২৭ |
| ৪ | নগাঁও সংমণ্ডল | ১৬ |
| ৫ | তেজপুৰ সংমণ্ডল | ৪৬ |
| ৬ | উত্তৰ লক্ষীমপুৰ সংমণ্ডল | ১৮ |
| ৭ | যোৰহাট সংমণ্ডল | ২২ |
| ৮ | শিৱসাগৰ সংমণ্ডল | ৭ |
| ৯ | তিনিচুকীয়া সংমণ্ডল | ২১ |
| ১০ | শিলচৰ সংমণ্ডল | ৩২ |
| ১১ | PM-eBus Sewa (JBM) | ১০০ |
| | সৰ্বমুঠ | ৭৬০ |

আনুসংগিক আৰু পৰোক্ষ ব্যয়ৰ অন্তত লাভৰ পৰিমান প্ৰতিফলিত হোৱা নাই যদিও অসম ৰাজ্যিক পৰিবহন নিগম সদায় জনসাধাৰণৰ সেৱা আৰু সুৰক্ষাৰ প্ৰতি নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছে।

(গ) বৰ্তমান অসম ৰাজ্যিক পৰিবহন নিগমত নিয়মীয়া কৰ্মচাৰী ৪০৫ জন আৰু ঠিকাভিত্তিক কৰ্মচাৰী ১৩২৭ জন আছে। সৰ্বমুঠ কৰ্মচাৰীৰ সংখ্যা ১৭৩২ জন। তাৎক্ষণিকভাবে নতুনকৈ নিয়োগৰ পৰিকল্পনা নাই। ভৱিষ্যতে নিগমৰ প্ৰয়োজন আৰু চৰকাৰৰ নিৰ্দেশ অনুযায়ী নিয়োগৰ পৰিকল্পনা কৰা হব।

(ঘ) অসম ৰাজ্যিক পৰিবহন নিগমৰ সাধাৰণ বাছসমূহৰ পূৰ্বৰ ৰং আৰু গাঁথনি (Body Design)-ত কোনো পৰিৱৰ্তন কৰা হোৱা নাই। তদুপৰি, বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ, কাৰ্বন নিঃসৰণ হ্ৰাস, পৰিৱেশ সংৰক্ষণ আৰু বহনক্ষম গণ-পৰিবহন ব্যৱস্থাৰ বিকাশৰ লক্ষ্যৰে অসম ৰাজ্যিক পৰিবহন নিগমে বৈদ্যুতিক (ইভি) বাছ সেৱা প্ৰৱৰ্তন কৰিছে। এই পদক্ষেপে স্বচ্ছ শক্তিনিৰ্ভৰ পৰিবহন ব্যৱস্থাৰ প্ৰসাৰ ঘটোৱাৰ লগতে বৈদ্যুতিক বাহনৰ ব্যৱহাৰ বৃদ্ধিৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

ভাৰত চৰকাৰৰ বৈদ্যুতিক বাহনৰ প্ৰসাৰ সম্পৰ্কীয় নীতি আৰু ২০৩০ চনৰ ভিতৰত বৈদ্যুতিক বাহনৰ অংশীদাৰিত্ব বৃদ্ধিৰ লক্ষ্যৰ সৈতে সামঞ্জস্য ৰাখি বৈদ্যুতিক (ইভি) বাছসমূহ সেউজীয়া (Green) ৰঙেৰে সজোৱা হৈছে। এই সেউজীয়া ৰং পৰিৱেশ-বান্ধৱ, প্ৰদূষণমুক্ত আৰু স্বচ্ছ শক্তিনিৰ্ভৰ গণ-পৰিবহন ব্যৱস্থাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হৈছে।

২০০১ চনত চৰকাৰী গেজেট অধিসূচনা নং TMV.119/2003/142 অনুসৰি অসম ৰাজ্যিক পৰিবহন নিগমৰ (এ.এছ.টি.চি.) পথসমূহত ব্যক্তিগত মালিকানাধীন বাছ পৰিচালনাৰ অনুমতি প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল।

উক্ত গেজেট অধিসূচনাৰ বিধান অনুসৰি, যিসমূহ পথত অসম ৰাজ্যিক পৰিবহন নিগমৰ নিজা বাছ কম আছিল, সেইসমূহ পথত সাধাৰণ জনসাধাৰণৰ বাবে গণ-পৰিবহন সেৱা অব্যাহত ৰখাৰ উদ্দেশ্যে ব্যক্তিগত মালিকানাধীন বাছ পৰিচালনাৰ ব্যৱস্থা কৰা হয়। এই ব্যৱস্থাৰ অধীনত একাংশ ব্যক্তিগত বাছৰ গৰাকীয়ে অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনত চুক্তিবদ্ধভাৱে বাছ পৰিচালনা কৰি আহিছে।

সেইবাবেই উক্ত বাছসমূহত "Under ASTC" বুলি উল্লেখ কৰা থাকে, যাৰ দ্বাৰা বাছসমূহ অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনত পৰিচালিত হোৱাৰ বিষয়টো সূচিত হয়।

********************************

(উক্ত প্ৰশ্নোত্তৰ অসম বিধান সভাৰ website https://cms.neva.gov.in/ ত উপলব্ধ কৰা হৈছে)